

# Emerging Trends in Multidisciplinary Research

EDITORS
DR. DEEP DUTTA
DR. RIPUNJOY SONOWAL
DR. AJIT GOSWAMI



# Emerging Trends in Multidisciplinary Research

EDITORS
DR. DEEP DUTTA
DR. RIPUNJOY SONOWAL
DR. AJIT GOSWAMI



# EMERGING TRENDS IN MULTIDISCIPLINARY RESEARCH

**Editors-in-chief**
**Dr. Deep Dutta, M.A. Ph.D**
*Vice Principal, Harhi College*

**Editors**
**Dr. Ripunjoy Sonowal, M.Sc., Ph.D.**
*Asstt. Professor, Dept. of Anthropology, North Guwahati College*

**Dr. Ajit Goswami, M.Sc., PGDCA, M.Phil, Ph.D.**
*Asstt. Professor, Dept. of Statistics, DHSK College*

**Kasturi Prakaxaan**

***EMERGING TRENDS IN MULTIDISCIPLINARY RESEARCH:** A book on multiple disciplinaries, Edited by Dr. Deep Dutta, Vice-Principal, Harhi College, Dr. Ripunjoy Sonowal, Assistant Professor, Department of Anthropology, North Guwahati College and Dr. Ajit Goswami, Assistant Professor, Department of Statistics, DHSK College and Published by **Kasturi Prakaxaan**, Ghy-21.*

First Published : June, 2018
DTP & Layout : Akshoy Dutta
Cover Design : Dr. Deep Dutta

**ISBN: 978-93-5105-359-0**

**Printed and Published:**

**Kasturi Prakaxaan**
Bhaskar Nagar Path, Near Guwahati Commerce College
#-25, Chandmari, Ghy
Ph.: 9864033002
Email: kasturi.press@gmail.com

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means electronic, mechanical, photocopying, recording or otherwise without the prior written permission of the publisher and editors.

**Disclaimer:** The authors are solely responsible for the contents of the papers compiled in this volume. The publisher or editors do not take any responsibility for the same in any manner. Errors, if any, are purely unintentional and readers are requested to communicate such errors to the editors or publisher to avoid discrepancies in future.

*Price: Rs. 500.00 (Rupees Five Hundred Only)*

# EDITORIAL BOARD

**Advisors:**

**Dr. Amal Ch. Dutta**
*Asso. Prof., Deptt. of Botany Dhakuakhana College, Lakhimpur*
**Dr. Lalit Baruah**
*Asstt. Professor, Deptt. of Physics, Biswanath Chariali College, Biswanath*
**Dr. Bikash Deka**
*Asstt. Prof., Deptt. of Sociology, Dibrugarh University, Dibrugarh, Assam*
**Dr. Mahan Borah**
*Asst. Prof., Deptt. of Political Science, Assam University, Silchar*
**Dr. Dibyajyoti Dutta**
*Asst. Prof., Deptt. of Political Science, Dibrugarh University, Dibrugarh*
**Mr. Bhaskar Jyoti Chutia**
*Asstt. Professor, Deptt. of Computer Science, Rajib Gandhi University, Duimukh, A.P.*

**Editor-in-chief:**

**Dr. Deep Dutta**
*Vice Principal & HoD Deptt. of Sociology, Harhi College, Dhakuakhana, Lakhimpur*

**Editor:**

**Dr. Ripunjoy Sonowal, M.Sc., Ph.D.**
*Asstt. Professor, Dept. of Anthropology, North Guwahati College*
**Dr. Ajit Goswami, M.Sc., PGDCA, M.Phil, Ph.D.**
*Asstt. Professor, Dept. of Statistics, DHSK College*

**Members:**

**Mr Ranjit Handique**
*Asst. Prof., Deptt. of Sociology, Harhi College, Lakhimpur*
**Mr. Rajesh Chetia**
*Asst. Prof., Deptt. of Political Science, Harhi College, Lakhimpur*
**Mr. Sarat Chutia**
*Asst. Prof., Deptt. of Assamese, Harhi College, Lakhimpur, Assam*
**Mr. Jitu Kr. Chamuah,** *Asst. Prof., Deptt. of English, Harhi College, Dhakuakhana, Lakhimpur, Assam*
**Mr. Thagendra Chutia**
*Assistant Professor, Department of Philosophy, Harhi College*

# Preface

The main aim of research should be either to gain knowledge or to solve a problem and to work for healthy development of mankind and nature. In recent years, scientific quest for various socio-economic, political, cultural, technological, ecological and biological issues have gained much momentum. The nature of problem has become multi-dimensional and multi-pronged involving knowledge of numerous disciplines and subjects. This has lead to the emergence of Multidisciplinary Research – systematic investigations or studies that addresses problems/topics combining many academic approaches, specialized branches of learning, or methods and focusing on solving them. Nowadays, educational institutions, NGO's, various departments and schools of universities, government agencies/ organizations, private enterprises, etc. are emphasizing on multidisciplinary research for complete and deep study of any problem and their subsequent result/s. For this purpose, serious and special attention is being paid towards discussion and deliberation regarding selection of problem topic. Today's world has become knowledge-driven and expertise-based. These specialties and peculiarities have added to the significance of multidisciplinary research and innovative emerging trends.

In this backdrop, we felt the necessity to provide a common forum for academicians, research scholars, PG students and other professionals from Assam to publish their original research papers, articles and short communications on all areas of humanities and social sciences, human ecology, biology, physical science and on significant applied programmes. Accordingly, the present book titled: **Emerging Trends in Multidisciplinary Research** has been published. This Edited Volume contains altogether ........important research papers contributed by different researchers from various academic backgrounds.

The book is intended as a medium for communication and discussion of important issues that concern all round human development and scientific activity. The primary objective of the book is to disseminate knowledge which may help in understanding man-environment relationship, understand in totality the multi-facet issues of scientific, socio-economic, political, historical, literature, as well as of technological and environmental importance and to find tangible answers. Another basic aim of this book is to increase the visibility of the works of the researchers and practitioners working in a wide variety of scientific areas in order to boost collaborative research works, for a cross-fertilization of ideas and bring more holistic solutions. This is very much important because a number of researches are going on worldwide for human welfare. These researches cannot be conducted in isolation. They are naturally tempted to ask assistance from other disciplines because not only the social, economic, political

and bio-cultural aspect of human being is inter-related but even physical sciences like chemistry, physics, mathematics and engineering have importance in man's way of life. We are convinced that the present volume containing wide ranging research findings will be of equal interest and utility to scientists, academicians, researchers, policy makers and planners, government organizations/ institutions, social workers, and the students of science, humanities and other disciplines, all striving for the sustainable and collective development of mankind.

We express our sincere most thanks to all our associates and advisors and members of the editorial board for their active and passive help and support in the entire exercise.

**Editors**

# *CONTENTS*


- Enhancement of Photoluminescence of $Sm^{3+}$ Ion due to Effect of ZnS:$Mn^{2+}$ Nanoparticles in Methanol
  ✍**Dibyajyoti Kakoti** 13
- Soret and Dufour Effects on MHD Dusty Fluid Flow near the Stagnation Point with Variable Viscosity and Thermal Conductivity
  ✍**Jadav Konch** 28
- People's cultural response towards natural disaster flood: A case study of Dhemaji development Block, District Dhemaji Assam
  ✍**Anup Hazarika** 57
- Woman and the Nature: from Kalidasa's Abhijnasakuntalam
  ✍**Dr. Anamika Sarmah** 73
- Gandhian Philosophy of Satyagraha and its Relevance iv Present Society
  ✍**Horojyoti Kumbang** 80
- Determinants of Women Labour Force Participation : A Study of the Tai-Turungs
  ✍**Girimollika Hazarika** 84
- Prostitution and the Patriarchal Society
  ✍**Piyali Dasgupta** 103
- Determinants of Financial Inclusion in Rural Assam: A case Study of Dhakuakhana Block of Lakhimpur District
  ✍**Bhoirab Jyoti Konch** 128
- Implementation of Five Year Plan and its Impact on Rural Development
  ✍**Dharma Das** 140

- Impact of Digitization on Economic Development and Trade with Special Reference to Service and MSME Sector of India
  **Karobi Borah** 148
- Impact of Social Entrepreneurship Development on Poverty Reduces
  **Dipankar Saikia** 165
- Economics on Invisible and Non Economic Activities of Rural Women : A Case Study
  **Dipshikha Chamuah** 176
- Urbanization and Solid Waste Management: With Special Reference to India
  **Runumi Das** 191
- A Study of Socio-Economic Status of the Nepalese in Assam with Special Reference to Karbi Anglong District
  **Dr. Ramesh Krishna Boruah** 208
- Cryptand Catalysis: A Review
  **Sankar Jyoti Bora** 221
- Relevance of Gandhi's Concepts of "Non-Violence" in Present Society
  **Babul Dhandia** 233
- "Reality' of Aurobindo's Philosophy": A study
  **Sabita Deka** 243
- Crises Rites with Special Reference to "Birth", Among the Hajongs of Nakari Hajong Village of Lakhimpur District, Assam
  **Mridusmita Phukan** 247
- The Treditional Beliefs and Religious Practices of the Sonowal Kachari, ST(P), of the Dhemaji District of Assam: A Socio-Philosophical Study
  **Nandini Deka** 254
- Signs of Nature: Traditional Use of Bio-indicators in Agriculture and for predicting Weather among the Sonowal Kachari tribe of Assam, India
  **Dr. Ripunjoy Sonowal** 262
- Application of Process Capability Analysis Techniques in Industrial Management System
  **Dr. Ajit Goswami** 284
- Orchids: Their Importance And Their Suitable Potting Mixes
  **Dr. Purnima Saikia** 296
- Use of Traditional Herbal Medicine and Satisfactory Effect of Arjuna in Cardiac Disease
  **Dr. Sukanya Baruah Chaliha** 301
- Certain Properties of Generalized Poisson - Lindley Distribution: Revisited
  **Dr. Porinita Dutta** 312
- Effect of $BaCl_2$ and $FeCl_3$ on Seed Germination of *Vigna Radiata* (L.) WILCZEK
  **Ambarish Bhuyan** 323
- A Case Study of Zootherapeutic Practices of the Sonowal Kachari Tribe of Dangri Area in Tinsukia District, Assam
  **Bonani Saikia and Pallabi Sonowal** 331
- A Review on Cloud Computing
  **Rimpi Sarma** 337
- Graphitic Carbon Nitride: A Promising Catalyst in Material Chemistry
  **Rajjyoti Gogoi** 345
- A Comparative Study on the Problems Faced by the Adolescent Students of Working and Non-working Mothers of Khagorijan Block of Nagaon District, Assam
  **Garima Baruah** 350

- Development Project, Education and Employment Pattern: A Case Study on BCPL project of Lepetkata, Dibrugarh, Assam
  ✍**Purabi Saikia** 369
- Community in Complex Network
  ✍**Harekrishna Mili** 379
- Organizations and institutions of Sri Sri Aniruddhadeva with special reference to Naharati *than*
  ✍**Sandhan Hazarika** 389
- Teacher Education on India
  ✍**Suvarani Taid** 405
- নক্টে ভাষাৰ ক্ৰিয়াপদৰ গঠন
  ✍মানস জ্যোতি নিৰ্মলীয়া 421
- টাই ভাষাৰ সুৰ ঃ এটি বিশ্লেষণ
  ✍পংকজ্যোতি বৰা 428
- বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ বহুধাৰ্থকতা শব্দ ঃ এক অৰ্থতত্ত্ব অধ্যয়ন
  ✍বাহুল কুলি 439
- সমাজ জীৱনলৈ মাধৱদেৱৰ অৱিহণা
  ✍স্বপ্নালী বৰগোহাঁই 448
- বিহু সংস্কৃতিত বিশ্বায়নৰ প্ৰভাৱ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন
  ✍অসীম শইকীয়া 456
- 'হাতী আৰু ফান্দী' এক আলোচনা
  ✍ধনৰঞ্জন কলিতা 466
- দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ঃ এক আলোচনা
  ✍মেঘালী দত্ত 473
- সংখ্যা প্ৰণালীৰ প্ৰাথমিক ধাৰণা
  ✍বন্দিতা ফুকন 486
- ভবেন্দ্ৰনাথ শইকীয়াৰ 'শৃংখল' ঃ নাৰী মনস্তত্ত্বৰ গভীৰ বিশ্লেষণ
  ✍ড০ কুসুম্বৰ বৰুৱা আৰু বিজুমণি দত্ত 490
- আৱাহন যুগৰ চুটিগল্পত এভুমুকি
  ✍দীপিকা বৰুৱা 500
- 'চক্‌লং' ঃ আহোমসকলৰ বিবাহ পদ্ধতিৰ এক অধ্যয়ন
  ✍গীতাৰ্থী বৰগোহাঁই 507

# অসমৰ সমাজ জীৱনলৈ মাধৱদেৱৰ অৱিহণা

**স্বপ্নালী বৰগোহাঁই**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
লক্ষীমপুৰ বালিকা মহাবিদ্যালয়

*সাৰাংশ ঃ*

*অসমৰ সাহিত্য, সংস্কৃতি, ধৰ্ম আৰু সমাজৰ প্ৰাতঃস্মৰণীয় ব্যক্তি মহাপুৰুষ শঙ্কৰদেৱৰ লগতে একেলগে স্মৰণ হোৱা আন এটি নাম হৈছে মহাপুৰুষ মাধৱদেৱ। গুৰুজনাৰ দৰেই মাধৱদেৱেও ধৰ্ম প্ৰচাৰত সাহিত্য আৰু সমাজক এটা আনটোৰ পৰিপূৰক হিচাপে ব্যৱহাৰ কৰিছিল। মহাপুৰুষ জনাই সীমিত জীৱন কালত অসীম কৰ্ম সম্পাদনা কৰি নতুন সমাজ ৰচনা কৰি চিৰকালৰ বাবে অমৰ হ'ল। সমাজত অখণ্ড ব্যক্তিৰত্বতে বৰ্তি থাকিবলৈ ব্যক্তিক শিক্ষা, সংস্কৃতি, আধ্যাত্মিক সংস্কাৰ, সামাজিক দায়বদ্ধতাৰ যি আৱশ্যকতা সেই সকলো দিশ মাধৱদেৱৰ জীৱনত পোৱা যায়। ধৰ্ম প্ৰচাৰৰ লগতে সমাজ-সংস্কাৰ তথা আৰ্থ-সামাজিক দিশৰ প্ৰতিও সততে মহাপুৰুষজনাই সৃষ্টি নিক্ষেপ কৰিছে।*

*আমাৰ এই গৱেষণা পত্ৰত মহাপুৰুষ মাধৱদেৱক ধৰ্ম গুৰুৰ বাদেও সমাজ সংস্কাৰক হিচাপে প্ৰতিফলিত কৰিবলৈ বিচৰা হৈছে। লগতে মাধৱদেৱৰ জীৱনত শঙ্কৰদেৱৰ লগত হোৱা মিলনৰ আগৰ আৰু পাছৰ কালত পৰিলক্ষিত হোৱা বিভিন্ন চিত্ৰ তথা সামাজিক দায়বদ্ধতা বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে।*

*পুথি ভঁৰাল কেন্দ্ৰিক এই অধ্যয়নত প্ৰধানকৈ বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।*

*বীজ শব্দঃ নাম ধৰ্ম, নামঘৰ, সত্ৰ, সমাজ।*



**অৱতৰণিকা ঃ**

সৃষ্টিৰ পাতনিৰে পৰা বৈষ্ণৱ ধৰ্ম প্ৰৱাহিত হৈ আহিছে। মধ্যযুগত সমগ্ৰ ভাৰতবৰ্ষত এই ধৰ্মই এটা নতুন ৰূপ ধাৰণ কৰে। এই ৰূপৰ নেতৃত্ব দিয়ে ৰামানন্দ, মাধৱাচাৰ্য, কবীৰ আদি সন্ত-মহন্ত সকলে। আমাৰ অসমত এই নতুন ধাৰাৰ নেতৃত্ব বহন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ, দামোদৰ দেৱ, মাধৱদেৱ, গোপালদেৱ আদিয়ে। শ্ৰীমন্ত শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱত গ্ৰন্থক মুল আধাৰ ৰূপে গ্ৰহণ কৰি এক শৰণ ভাগৱতী ধৰ্ম প্ৰচাৰ কৰে আৰু শ্ৰী কৃষ্ণক ইষ্টদেৱ বা ভজনীয় হিচাপে গ্ৰহণ কৰি তেওঁৰ নাম-গুণ কীৰ্তনৰ যোগেদি জীৱৰ মুক্তি লাভৰ পথ সুগম কৰে। এই ধৰ্মক মহাপুৰুষীয়া ধৰ্ম নাম ধৰ্ম নামেও জনা যায়। এই ধৰ্ম প্ৰচাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত ছাঁৰ দৰে লাগি আছিল মহাপুৰুষ মাধৱদেৱ।

চৰিত পুথি সমূহত উল্লেখ থকা মতে 'মণিকাঞ্চন সংযোগ' ৰ পৰা মাধৱদেৱ আৰু শঙ্কৰদেৱে একে লগে নাম ধৰ্ম প্ৰচাৰ কৰিছিল। মাধৱদেৱক লগ পোৱাৰ পিছৰে পৰা শঙ্কৰদেৱৰ প্ৰৱৰ্তিত এই নাম ধৰ্ম অতি ক্ষীপ্ৰভাৱে আগবাঢ়িছিল। মহাপুৰুষ মাধৱদেৱে এই কামত ইমানেই মনপুতি সোমাই পৰিছিল যে, তেওঁ জোৰোণ পিন্ধোৱা কন্যাও প্ৰত্যাখ্যান কৰিছিল। বিবাহ পাশত আৱদ্ধ হৈ ধৰ্ম প্ৰচাৰ কৰিবলৈ শঙ্কৰদেৱে আজ্ঞা কৰাত তেওঁ কৈছিল, "বোলে বাপ, সবেখানি কৰা যাব, এটিহে ৰাখিব নপাৰিম।। জীৱৰ কুশলৰ হেতুহে আপুনাক গুৰু মনা হৈছে। মায়াময় বিষয়সুখ শশু-পক্ষী শৰীৰতো পায় আক লাগি আশা ভৰষা কৰা নাই বাপ।। বোলে বৰাৰ পো, গড় বান্ধি যুজিলে সজ, প্ৰাণৰ সংশই নাই; বিনা গড়ে যুজিলে ভয়।। বোলে বাপ, গড় বান্ধি যুজাক একা; ক্ষেত্ৰিয় বোলে কোনে? বিনা গড়ে যুজিলেহে যুদ্ধাৰু।।" এই কথা শুনাৰ পাছত মহাপুৰুষ শঙ্কৰদেৱৰ মনত যি ভাৱৰ উদয় হৈছিল, "বোলে বৰাৰ পো আৰু দিনা চাৰি; আগে লগ পালোহতে তোমাক; এ আমিও ৰামানন্দৰ মাকক বিবাহ নকৰালোহতে।" এই জনেই মহাপুৰুষ মাধৱদেৱ। সময়ত শঙ্কৰদেৱৰ প্ৰিয় শিষ্য আৰু নাম ধৰ্মৰ উত্তৰাধিকাৰী হৈছিল।

**ধৰ্ম প্ৰচাৰক মাধৱদেৱ ঃ**

শঙ্কৰদেৱৰ ওচৰত শৰণ লৈ তেওঁৰ পৰা পোৱা আধ্যাত্মিক তত্বৰ দ্বাৰা

অসমত নামধৰ্ম মাৰ্গ প্ৰৱতৰ্নৰ হেতু আগবাঢ়ি গৈ মাধৱদেৱে ঈশ্বৰ নিৰ্ণয়ৰ জটিল তত্ব সহজ-সৰল কৰি তুলিলে। ইয়াৰ লগতে তেওঁ এই তত্বক শুদ্ধ, সত্ব, যথাৰ্থ আৰু পৰম বুলি শাস্ত্ৰৰ কষটি শিলত ঘঁহি চাইহে গ্ৰহণ কৰিলে আৰু শঙ্কৰদেৱৰ লগত অভিন্ন হৈ পৰিল।

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সময়ত অসমৰ সমাজ ব্যৱস্থাত বিভিন্ন জনগোষ্ঠীৰ মাজত পাৰম্পৰিক সংস্কৃতি, ধৰ্ম, পৰম্পৰা বিশ্বাস আদিক লৈ সমাজত বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ উপৰিও পৰস্পৰৰ মাজত দেখা দিয়া হিংসা, অসহিষ্ণুতা, কুটিলতা, অহংভাৱ আদিৰ ফলত ধৰ্মৰ নামত ব্যভিচাৰ হৈছিল। এনে জটিল ক্ষণত মহাপুৰুষ মাধৱদেৱে নাম ধৰ্ম প্ৰচাৰৰ কাৰণে শঙ্কৰদেৱৰ আৰ্হিত সত্ৰ, নামঘৰ আদি স্থাপন কৰিছিল। এই সত্ৰ, নামঘৰ সমূহত সেই সময়ৰ অসমীয়া চহা জনসাধাৰণক নাম ধৰ্মৰ প্ৰতি আকৃষ্ট কৰিবৰ কাৰণে তেওঁলোকৰ মাজত বিভিন্ন কৌশল প্ৰয়োগ কৰিব লগীয়া হৈছিল।

**সত্ৰ, নামঘৰ আদিৰ প্ৰতিষ্ঠা ঃ**

মহাপুৰুষ মাধৱদেৱৰ অসমীয়া সমাজলৈ অনবদ্য অৱদান স্বৰূপে সত্ৰ-নামঘৰ সমূহৰ নাম ল'ব পাৰি। গুৰুজনাই প্ৰথম নামঘৰ স্থাপন কৰিছিল বৰ্তমান যোৰহাট জিলাত অৱস্থিত ঢেকীয়াখোৱা নামঘৰ। চৰিত পুথিত পোৱা মতে, মাধৱদেৱে আহোম ৰজাৰ হাতৰ পৰা মুক্ত হৈ ঢেকীয়াখোৱা নামৰ ঠাইত এঘৰ বৃদ্ধ দম্পত্তিৰ ঘৰত উপস্থিত হ'ল। ঈশ্বৰ পুৰুষ মাধৱদেৱে সেই ঠাইতে ঢেকীয়া শাকৰ ব্যঞ্জন ৰান্ধি নিজে আৰু গৃহস্থ-জ্ঞাতিক খোৱাই পৰম তৃপ্তি পাইছিল। মাধৱদেৱৰ পুৰুষৰ বাক্য ৰক্ষা কৰি সেই ঠাইতে গৃহস্থ বৃদ্ধ দম্পতীয়ে তেওঁলোকৰ জীৱিত কালত নিতৌ তেল-শলিতা জ্বলাই গুৰুজনাই থৈ যোৱা আধ্যাত্মিক শক্তিক জাগৃত কৰি ৰাখিছিল। কালক্ৰমত তেওঁলোক দুয়োৰে প্ৰয়াণ হোৱাত গাঁৱৰ ৰাইজে তেওঁলোকৰ অন্তিম সংস্কাৰৰ পাছত সেই ঠাইতে এটি হৰি গৃহ (নামঘৰ) সাজি বন্তিগছি নিৰ্বাপিত নোহোৱাকৈ ৰক্ষা কৰি অহাৰ লগতে তাতে ধৰ্মপ্ৰাণ ৰাইজসকলে নাম-প্ৰসঙ্গ, ভাগৱত পাঠ আদি ধৰ্ম চৰ্চাৰ কেন্দ্ৰ কৰি যথাবৎ গুৰজনাৰ স্মৃতি ৰক্ষা কৰি আহিছে। মাধৱদেৱ ঈশ্বৰ পুৰুষৰ মহাত্ম্য বহন কৰা ঢেকীয়াখোৱা নামঘৰ আজিও জাগৃত আৰু মনুষ্য মাত্ৰে সংসাৰ ত্ৰিতাপ শান্তিৰ



আশ্ৰয় হোৱাৰ লগতে অসমৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ধৰ্মৰ অন্যতম প্ৰাণকেন্দ্ৰ ৰূপে প্ৰতিষ্ঠা লাভ কৰিছে।

ইয়াৰ উপৰিও মহাপুৰুষজনাই পাতবাউসী, বৰপেটা আদি ঠাইত সত্ৰ স্থাপন কৰিছিল। এই সত্ৰ-নামঘৰ সমূহত ভকত সকলে মুখে ৰাম নাম আৰু হাতে কৃত কৰ্মেৰে মহা আনন্দেৰে নামঘৰ সজাৰ কাম সম্পূৰ্ণ কৰিছিল। নামঘৰৰ লগতে ভকতসকলৰ বাবেও হাটীঘৰ সজাই দিয়া হৈছিল। এই নামঘৰত ভাগৱত থাপনা কৰি, নিতৌ চাৰি-নাম, চৈধ্য প্ৰসঙ্গ কৰি চৌদিশ মুখৰিত কৰি তোলাৰ লগতে ভকতসকলক নিত্য-নৈমিত্তিক কৰ্ম, আৰ্থিক সুচল, সামাজিক ৰীতি-নীতি আৰু নৈতিক বোধৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰি দিলে। ইয়াৰ উপৰিও সত্ৰ-নামঘৰ জৰিয়তে গুৰুজনাই জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোকক "এক শৰণ নাম ধৰ্ম" মাৰ্গৰ পৰিচয় কৰাই ঐক্য-সংহতিৰ বান্ধোন সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে নৃত্য-গীত, ভাওনা, চিত্ৰকলা আদিৰে জনসাধাৰণক আকৃষ্ট কৰিছিল।

**সামাজিক দায়বদ্ধতা ঃ**

মহাপুৰুষ মাধৱদেৱে নামধৰ্ম প্ৰচাৰ কৰোতে বহুতো প্ৰতিকূল পৰিস্থিতিত বাধা বিঘিনীৰ সন্মুখীন হ'ব লগা হৈছিল। সামাজিক ভাবে পোৱা বহুতো আলৈ-আহুকাল আৰু ঘটনা-প্ৰতি ঘটনাৰ মাজেদি বিভিন্ন কলা-কৌশল আৰু বুদ্ধি সত্তাৰে গুৰুজনে জনসাধাৰণক ভক্তি পন্থলৈ আকৃষ্ট কৰিছিল। যি সঁচাই বিচিত্ৰ। তেনে কেইটামান প্ৰতিচ্ছবি আলোচনাৰ মাজলৈ অনা হ'ল-

**সমাজ সংস্কাৰ ঃ**

ব্যক্তি আৰু সমষ্টি উভয়ৰ সংস্কাৰৰ ক্ষেত্ৰত মাধৱদেৱ গুৰুজনাই গুৰুত্ব দিছিল। ব্যক্তি বা সমষ্টিয়ে দোষ কৰিলে তাৰ শাস্তি বিধানৰ পৰিবৰ্তে, গুৰুজনাই সংশোধনহে ব্যৱস্থা কৰিছিল। গুৰুজনাই তাৰ বাবে এনে উপাই কৰিছিল, য'ত আনন্দও পোৱা যায় আৰু সংশোধনো সুদূৰ প্ৰসাৰী হয়। উদাহৰণ স্বৰূপে, বৰপেটাৰ মালাচাৰ "অজামিল উপাখ্যান" ভাওনা প্ৰদৰ্শনৰ কথা ক'ব পাৰি। এই ভাওনা প্ৰদৰ্শনৰ মাজতে বিষ্ণু আতাৰ পুত্ৰ গোপালৰ দোষীক নিদোষী কৰা, অন্যায়ক ন্যায় কৰা আদি অসৎ চৰিত্ৰৰ সংশোধন কৰাৰ প্ৰচেষ্টা বখানিবলগীয়া।

**সামাজিক একতা ঃ**

মহাপুৰুষ মাধৱদেৱে সামাজিক একতাৰ ডোলেৰে সকলোকে সমানে বান্ধি ৰাখিছিল। শঙ্কৰগুৰুৰ আদৰ্শৰে আদৰ্শান্বিত হৈ মাধৱদেৱেও বৰ্ণ বিচাৰ, জাতি ভেদৰ দৰে মোহগ্ৰস্ত অজ্ঞানতাক প্ৰশ্ৰয় দিয়া নাছিল। নানা জাতি-উপজাতিৰ লোকক গুৰুজনাই নামধৰ্মত শৰণ দি আকোঁৱালি লৈছিল। উদাহৰণ স্বৰূপে, সুন্দৰী দিয়া সত্ৰত, মাধৱদেৱে গাৰোৰ গোবিন্দ আৰু ভোটৰ জয়ানন্দক শৰণ দি নীতি-সদাচাৰ শিকাই সংস্কৃত কৰি গাৰোজনক 'গোবিন্দ' আৰু ভোটৰ জনক 'জয়ানন্দ' নাম দি আতা পাতিছিল।

**হৰি-কীৰ্তন আৰু নৃত্য ঃ**

বৰ্তমান সমাজত নাম-কীৰ্তন কৰোতে ভকতসকলে নৃত্যৰ মাজেদি হৰি ৰসত আপ্লুত হৈ থকাৰ যি ৰীতি দেখিবলৈ পোৱা যায়, এই পৰম্পৰা মহাপুৰুষ মাধৱদেৱৰ সৃষ্টি। এই নৃত্যৰ মাজেদি হৰি ৰসত আপ্লুত হৈ থকা বাবে ভকত বহাত গ্ৰাম্য কথাৰ আলোচনা নোহোৱা হৈছিল আৰু নামৰ ছেওতে ভক্তি প্ৰেমত নচাতো সহজাত হৈ পৰিল।

**স্ত্ৰীসকলৰ প্ৰতি সদ্‌ভাৱ ঃ**

মহাপুৰুষ শঙ্কৰদেৱে স্ত্ৰীক শৰণ দিয়া নাছিল। কিন্তু স্ত্ৰী সকলে ঈশ্বৰৰ নাম শ্ৰৱণ-কীৰ্তন কৰাত মাধৱদেৱ গুৰুজনাই বাধা দিয়া নাছিল। তেওঁ স্ত্ৰীসকলক সততে মাতৃ শ্ৰদ্ধাৰে সম্ভাষণ কৰিছিল। চৰিত পুথিত পোৱা মতে, মাধৱদেৱে বৰপেটাত থকাৰ সময়তে এবাৰ দক্ষিণ কুলৰ গোবিন্দ নামৰ লোক এজনক শৰণ দিওঁতে, তেওঁৰ মাতৃৰ শ্ৰদ্ধাভক্তি লক্ষ্য কৰি তেওঁক পুৱা বেলা নামঘৰত অনুষ্ঠিত নাম-প্ৰসঙ্গত যোগ দিবলৈ অনুমতি দিছিল। পাছত গুৰুজনাই ইয়াৰ নিয়ম কৰি দিলে যে, পুৱাবেলা বুঢ়ী ভকতনীসকলে নামঘৰত নাম ল'ব পাৰিব। গুৰুজনাই যুগুত কৰা এই নিয়ম অনুসাৰে আজিও বৰপেটা নামঘৰত বুঢ়ী ভকতনীসকলে আছুতীয়াকৈ নাম-প্ৰসঙ্গ কৰাৰ নিয়ম চলি আছে। বেহাৰতো একে প্ৰথাকে বুঢ়ী ভকতনীসকলক অনুমোদন কৰিছিল। বেহাৰৰ তেলীকৃষ্ণ আতৈৰ পত্নীক ভকতনীসকলৰ মেধি পাতি দিছিল। এই দৰে সমদৰ্শী গুৰুজনাই মনুষ্যৰ ঈশ্বৰ ভজনত, শাস্ত্ৰ পাঠত সম অধিকাৰ সাব্যস্ত কৰিছিল।



ইয়াৰ উপৰিও মাধৱদেৱ গুৰুজনাই মাতৃসকলক গুৰুধৰ্ম ধৰোৱাত গুৰুত্ব দিছিল। তেওঁৰ মতে গৃহত গৃহিনীসকল নৈষ্ঠিক হ'লে তেওঁলোকৰ ল'ৰা-ছোৱালীসকলেও সৰুৰে পৰা তাৰ সংস্কাৰ লাভ কৰিব। সেয়ে, গুৰুজনাই আইসকলক নাম-প্ৰসঙ্গ, গীত-ঘোষা আদি শিকাই বুজাই শুদ্ধ ধৰ্ম আচৰণৰ শিক্ষা দিয়ালে। গুৰুজনাৰ এই পৰিকল্পনা, সমাজ সংস্কাৰৰ ক্ষেত্ৰত এক নতুন আৰু বলিষ্ঠ পদক্ষেপ আছিল।

**ভকতৰ প্ৰতি সমদৃষ্টি ঃ**

সকলো ভকতকে সম দৃষ্টিৰে চোৱা মাধৱদেৱৰ এটি বিশেষ গুণ। যি গুণৰ বাবে ভকতসকলৰ মাজত উত্তম-মধ্যম-নৰম ভাগত ভাগ কৰা নাছিল। উদাহৰণ স্বৰূপে, এবাৰ বহাগ বিহুত আই ধাইয়ে শিপিনীসকলৰ হতুৱাই বিধে বিধে কাপোৰ বোৱাই ভকতসকললৈ ভাগ-ভাগ কৰি বস্ত্ৰ দি পঠাইছিল। কিন্তু মাধৱদেৱে এই বস্ত্ৰখিনি ঘূৰাই দিয়াত, আই ধাইয়ে পুনঃ সকলো ভকতলৈ একে বিধৰ কাপোৰ পঠোৱাতহে গুৰুজনাই গ্ৰহণ কৰি ভকতসকলক বিলাই দিলে।

সমাজবাদী আদৰ্শ স্থাপনেৰে মহাপুৰুষজনাই ভকত সকলৰ মাজত 'এমুঠি চাউলকে, এখন গোৱাকে বাঁটি খাবাহঁক" বুলি নীতি-আদৰ্শ প্ৰদৰ্শন কৰিছিল।

**আৰ্থ-সামাজিক দিশত মাধৱদেৱ ঃ**

মাধৱদেৱে নামধৰ্ম প্ৰচাৰ কৰাৰ মাজেদি সমাজত আৰ্থিক দিশটোৰ প্ৰতিও সততে দৃষ্টি নিক্ষেপ কৰিছিল। আৰ্থ-সামাজিক দিশত গুৰুজনাই আগবঢ়োৱা বহুতো অৱদানৰ প্ৰতিচ্ছবি ধৰ্ম প্ৰচাৰ কালত পৰিলক্ষিত হয়। তলত তাৰে কেইটামান দিশ আলোচনাৰ মাজলৈ অনা হ'ল-

**বৃত্তিগত শিক্ষা ঃ**

মহাপুৰুষ মাধৱদেৱ কলা-কৃষ্টি আৰু নন্দন শিল্পৰ বিচক্ষণ খনিকৰ হোৱাৰ লগতে তেওঁ এজন সুপ্ৰশিক্ষক আছিল। এই কথাৰ অনুমান তেওঁৰ ৰঙ্গাৱন গৃহৰ নিৰ্মাণৰ আঁচনিৰ পৰাই পাব পাৰি। সত্ৰীয়া নাচ, ভাওনা, অভিনয়, বাদ্য-বাদন আদি প্ৰশিক্ষণ আৰু কলা-কৌশল সৰ্বাঙ্গ সুন্দৰকৈ ফুটাই তুলি প্ৰদৰ্শন কৰিবলৈ আৰু দৰ্শকসকলে স্বচ্ছন্দে দৰ্শন কৰিব পৰা আদৰ-কায়দাৰ এটা আহল-

বহল প্ৰেক্ষাগৃহৰ মাধৱদেৱে যি আঁচনি প্ৰস্তুত কৰিলে, তাৰেই ফল এই ৰঙ্গাবন গৃহ। গুৰুজনাৰ নিৰ্দেশত ভকত, শিষ্য সকলোৱেই আনন্দ উৎসাহত দ্বিগুণিত কৰ্ম প্ৰেৰণা পাইছিল আৰু নিৰ্মাণ কৌশলী বাঢ়ৈ-খনিকৰসকলে মাধৱদেৱৰ নিৰ্দেশমতে কলা পূৰ্ণ ৰঙ্গাবন গৃহ নিৰ্মাণ কৰি উলিয়ালে।

মাধৱদেৱে এনে কলা-কৃষ্টি আৰু নন্দন-শিল্পৰ প্ৰশিক্ষণ ঠায়ে ঠায়ে লোকসকলক দিছিল। সেয়ে, এনে শিল্পত পাৰ্গত লোকসকলে এই কৰ্মৰ যোগেদি তেওঁলোকৰ জীৱিকাৰ পথ মোকলাবলৈ সক্ষম হৈছিল।

**আসন প্ৰচলন ঃ**

মহাপুৰুষীয়া ধৰ্মানুষ্ঠানত নামধৰ্ম আলোচনা কালত গুৰু-ভকতসকলে পদ্মাসনত 'কঠ'ত বহা ৰীতি মাধৱদেৱৰ দ্বাৰা প্ৰচলিত। এই কঠ নিৰ্মাণ পদ্ধতি কম কষ্টকৰ আৰু ব্যয় বিহীন। মহাপুৰুষ মাধৱদেৱে সকলোৰে বাবে সহজলভ্য আৰু কম কষ্টতে আৱশ্যক পৰিমানে যোগাৰ কৰিব পৰা আৰু সৰ্বগুণী তৃৰ্ণ, কলগছৰ শুকান পাতৰ থৰুৱাৰ পৰা এই কঠ নিৰ্মাণ কৰিছিল আৰু তেতিয়াৰে পৰা হৰি গুণ কীৰ্তন আৰু শ্ৰৱণ কৰাত কঠৰ আসন এক উপযোগী আসন হিচাপে গণ্য হৈ আহিছে। ইও মাধৱদেৱৰ আৰ্থিক দিশত আগবঢ়োৱা এক অন্যতম অৱদান বুলি চিহ্নিত কৰিব পাৰি।

**বৃন্দাবনী বস্ত্ৰ ঃ**

চিলাৰায় দেৱানৰ অনুৰোধত মহাপুৰুষ শঙ্কৰদেৱে যি বৃন্দাৱনী বস্ত্ৰৰ পৰিকল্পনা কৰিছিল তাত মহাপুৰুষ মাধৱদেৱৰ অৱদান অপৰিসীম। ছমাহৰ অধিক কাল ব্যয় কৰি নিৰ্মাণ কৰা বৃন্দাৱনী বস্ত্ৰৰ মূল্য বৰ্তমান আজিও কোনো মাপ-কাঠিৰে জুখিব পৰা নাযায়।

**সখীত্ব ভাৱ আৰু আৰ্থিক দিশ ঃ**

আৰ্থ-সামাজিক দিশত এটি যুগ্ম চিত্ৰ প্ৰতিফলিত হৈছে মহাপুৰুষ মাধৱদেৱ আৰু ভবানন্দ সদাগৰ ওৰফে নাৰায়ণ দাস ঠাকুৰৰ মিলনত যি সখীত্ব ভাব পৰিস্ফুত হৈছিল সেই সখীত্বৰ এনাজৰী বৰ্তমানেও সমাজত কোনোদিন সিথিল হোৱা পৰিলক্ষিত হোৱা নাই। একে গুৰু সখি হোৱাত নাৰায়ণ দাস



ঠাকুৰে মাধৱদেৱৰ মাতৃৰ মাহেকীয়া কাজ-কৰ্মত আগভাগ লৈ ধনে জনে সহায় সহযোগ কৰিছিল।

**উপসংহাৰ ঃ**

মহাপুৰুষ মাধৱদেৱৰ অমৃত লোকৰ আলোকত উদ্ভাসিত গুণ আৰু কৰ্মৰ সংমিশ্ৰণ অত্যন্ত মনোৰঞ্জক। গুৰু দুজনাৰ অৰ্থ চিন্তন বিশ্বৰ সকলো ধৰ্ম প্ৰৱৰ্তক আৰু ক্ৰান্তিকাৰী চিন্তাবিদৰ লগত মিল আছে। মহাপুৰুষ মাধৱদেৱে শিষ্যবৰ্গক ধৰ্ম পালনৰ ক্ষেত্ৰত গৃহী আৰু উদাসীন, বিৰক্ত আৰু অবিৰক্ত অধিকাৰ ভেদ কৰি, জীৱন প্ৰৱৰ্তনৰ পথ দৰ্শাইছিল । উভয়ৰ ক্ষেত্ৰত জীৱিকাৰ অৰ্থে ন্যায়নিষ্ঠ ভাৱে কৃষি-বাণিজ্যৰে, অগত্যা ভিক্ষা বৃত্তিৰে প্ৰবৰ্তিবলৈ উপদেশ দিছিল। এই ভাৱ আদৰ্শৰে মহাপুৰুষীয় সেৱক শিষ্যসকলে মুখে কৃষ্ণ কথা আৰু হাতে কৃত-কৰ্ম কৰি স্বচ্ছন্দ জীৱন যাপন কৰিছে।

শঙ্কৰ গুৰুৰ সম শক্তিৰে মাধৱদেৱ পুৰুষে পৰম্পৰাগত ধৰ্ম-সংস্কৃতিক পৰিমাৰ্জিত কৰি ভাৰতৰ পূব খণ্ডৰ জনসমুদায়ৰ মাজত প্ৰৱৰ্তন আৰু প্ৰচাৰৰ বিস্তৃত কাৰ্যসূচী যুগুত কৰাৰ লগতে শঙ্কৰ গুৰুতকৈ আগবাঢ়ি গৈ 'বঢ়াৰ পো' হ'ল। ত্ৰিকালদৰ্শী এই গুৰুজনাই অসমীয়া সমাজ আৰু অৰ্থনীতিৰ প্ৰতি যি অৱদান আগবঢ়াই থৈ গ'ল, সেই প্ৰচেষ্টা কিমান গুৰুত্বপূৰ্ণ আছিল, তাক আজিৰ লোকসকলে উপলব্ধি কৰা আৰু সেই আদৰ্শ অনুসৰণ কৰা উচিত হ'ব।

**গ্ৰন্থপঞ্জীঃ**

১) দত্ত, মনোজ কুমাৰ (সম্পাঃ) ঃ নাম সিংহ (স্মাৰক গ্ৰন্থ, অসম নাম সমাৰোহ)
২) নেওগ, ড° মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
৩) বৰা, যোগেশ্বৰ, বৰা অঞ্জনা ঃ ঈশ্বৰ পুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ
৪) বেজবৰুৱা, লক্ষ্মীনাথ ঃ তত্ত্বকথা
৫) মহন্ত, বাপচন্দ্ৰ ঃ নামঘোষাৰ তত্ত্ব দৰ্শন
৬) শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত

PRESS
KASTURI
S
PRINTERS & PUBLISHERS

ISBN :978-93-5105-359-0
9 789351 052142
Price : 500/-